**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :01-03-**2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০০

ৰাজ্য চৰকাৰে নতুনকৈ গ্ৰহণ কৰা অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতি, ২০২৫ অনুসৰি কৃষি প্ৰযুক্তি, তথ্য প্ৰযুক্তি, তথ্য প্ৰযুক্তি নিৰ্ভৰ সেৱা আৰু কৃত্ৰিম বুদ্ধিমত্তা, ভ্ৰমণ প্ৰযুক্তি, খাদ্য প্ৰযুক্তি আৰু সেউজ প্ৰযুক্তি খণ্ডক অগ্ৰাধিকাৰ খণ্ড হিচাপে ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ২০১৭ চনৰ অসম ষ্টাৰ্টআপ নীতিক বহল পৰিসৰলৈ লৈ যাবলৈ শেহতীয়াকৈ অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতিক ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন দিছে। এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে এই নীতি বলৱৎ কৰাৰ অধিসূচনা জাৰি কৰা হৈছিল। এই নীতি অনুযায়ী অসমত আৰম্ভ কৰিব বিচৰা ষ্টাৰ্টআপ বোৰৰ একোটা ইউনিক আই ডি দিয়া হ'ব। মাই আছাম ষ্টাৰ্ট আপ আই ডি অৰ্থাৎ মাছি পাবলৈ আবেদনকাৰীসকলে নিৰ্দিষ্ট প'ৰ্টেলত আবেদন কৰিব লাগিব। মাছিৰ জৰিয়তেহে ষ্টাৰ্টআপসমূহে নতুন অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতিৰ অধীনত সা-সুবিধাসমূহ লাভ কৰিব। উদ্যমীসকলৰ সুবিধা হোৱাকৈ আছাম ষ্টাৰ্টআপ হাবত উপলব্ধ সা-সুবিধাসহ বিনামূলীয়াকৈ কাৰ্যালয় পতাৰো সুবিধা এই নীতিৰ অধীনত কৰা হৈছে। আৰ্থিক অনুদানৰ ক্ষেত্ৰতো মাছি থকা উদ্যমীসকলে ১০ লাখ টকা পৰ্যন্ত এককালীন অনুদান লাভ কৰিব পাৰিব। পৰৱৰ্তী সময়ত পাইলট প্ৰজেক্ট আৰম্ভ কৰাৰ বাবে ২৫ লাখ টকালৈকে আৰ্থিক অনুদান লাভ কৰাৰ সুবিধাও এই নতুন উদ্ভাৱন নীতিৰ অধীনত কৰা হৈছে। ইয়াৰ লগতে উৎকৃষ্ট প্ৰদৰ্শন দেখুওৱা উদ্যমী আৰু উদ্ভাৱকসকললৈ স্কেল আপ গ্ৰাণ্ট হিচাপে ৫০ লাখ টকা পৰ্যন্ত অনুদান পোৱাৰ সুযোগ নতুন ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতিত আছে। এই নীতি কাৰ্যকৰী কৰিবলৈ উদ্যোগ বিভাগৰ জ্যেষ্ঠতম সচিবক অধ্যক্ষ হিচাপে লৈ এখন উচ্চস্তৰীয় কমিটি আৰু এখন নীতি ৰূপায়ণ সমিতি গঠনৰ কথা কোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰৱৰ্তী বাজেটত উদ্যমী আৰু উদ্ভাৱকসকলক সহায় কৰিব পৰাকৈ কমেও ১০০ কোটি টকা ধাৰ্য কৰা বুলি ঘোষণা কৰিছে।

০০০০০০০০

কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হ'ব। কেন্দ্ৰীয় হিলাল সমিতি অসমেও কাইলৈ ৰমজানৰ প্ৰথম ৰোজা আৰম্ভ হ'ব বুলি জানিবলৈ দিছে। সমিতিৰ সভাপতি আৰু সম্পাদকে আমাৰ সংবাদদাতাক জনোৱা মতে, কালি সন্ধিয়া অসম তথা দেশৰ অন্য প্ৰান্তত, আকাশত ৰমজান মাহৰ জোন দেখা নোযোৱাৰ পৰিপ্ৰেক্ষিতত কাইলৈ ৰমজান মাহ আৰম্ভ হ'ব। হিলাল সমিতিৰ তথ্য অনুসৰি কাইলৈ প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় সন্ধিয়া ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় সন্ধিয়া ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় সন্ধিয়া ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হৈছে। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ

মূল্য।¯ গোৱালপাৰা জিলাতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ফল-মূল, ছেৱৈ, খেজুৰ, মিঠাই আদি সুস্বাদু খাদ্যৰে জিলাখনৰ হাট-বজাৰসমূহ ভৰি পৰিছে।

আজি সন্ধিয়া পশ্চিম আকাশত ন-জোন উঠাৰ নিশ্চিত তথ্য পোৱাৰ পাছতে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত তাৰাবিহ নামাজ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৰমজান হ'ল আত্মশুদ্ধিৰ মাহ আৰু ইয়াৰ জৰিয়তে বিশ্ব শান্তি কামনা কৰা হয়। ৰমজান মাহ শেষ হোৱাৰ পাছতে ঈদ-উল-ফিতৰ উদযাপন কৰা হ'ব।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমূৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব। ০০০০

০০০০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত আজি সন্ধিয়া চাৰে ৭ বজাত ডেল্হী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত খেলত ডেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৯ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ডেলহী কেপিটেলছে ১২৪ ৰাণৰ বিজয় লক্ষ্যৰে খেলি হাতত ৯টা উইকেট আৰু ৩৩টা বল বাকী থকা অৱস্থাত বিজয় সাব্যস্ত কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহ কৰে। ডেলহী কেপিটেলছৰ অধিনায়ক মেগ লেনিঙে ৪৯টা বলত অপৰাজিত ৬০ ৰাণৰ বৰঙণি আগবঢ়ায়। দলটোৰ শেফালী বাৰ্মাই ৪৩ ৰাণ কৰে। মিন্নু মানী আৰু জেছ জ'নাশ্বেনে ডেলহী কেপিটেলছৰ হৈ তিনিটাকৈ উইকেট দখল কৰে। জেছ জ'নাশ্বেনক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত ডেলহী কেপিটেলছে মহিলা প্ৰিমিয়াৰ লীগৰ তালিকাৰ শীৰ্ষস্থান দখল কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

০০০০০০০০